# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-04-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

Campagain/RNU/PTCs (04-04-2026) Night

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাত্ৰ তিনিটা দিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰে তীব্ৰ গতি লাভ কৰিছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি কাছাৰ জিলাৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কৌশিক ৰায়ৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। লাবক খেলপথাৰত আয়োজিত এই জনসভাত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াইও অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে আজি শ্ৰীভূমিৰ ৰামকৃষ্ণ নগৰতো দলটোৰ হৈ প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰ জিলাৰ নামতি বৰছলাত নিৰ্বাচনী প্ৰচাৰ চলায়। সমষ্টিটোৰ কৰুণাকান্ত মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত সভাত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ময়ূৰ বৰগোঁহাইৰ হৈ প্ৰচাৰ চলায়। নিজৰ ভাষণত তেওঁ ৰাজ্যত পুনৰ বিজেপিৰ চৰকাৰ হ'ব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই চৰাইদেউ জিলাৰ মাহমৰা আৰু সোণাৰিতো দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ আজি নাজিৰা আৰু মৰিয়নী সমষ্টিতো দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দুলীয়াজান সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত ভাগ লয়। শ্ৰীসণোৱালে আজি সন্ধিয়া গুৱাহাটীৰ মালিগাঁৱৰ মিঠা আমতলত মধ্য গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী বিজয় গুপ্তাৰ হৈ প্ৰচাৰ চলায়।

বাইট - সোণোৱাল

মুখ্য বিৰোধী দল কংগ্ৰেছকে ধৰি অন্যান্য দলৰ প্ৰাৰ্থীসকলেও সমষ্টিয়ে সমষ্টিয়ে গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে গৌৰীপুৰ, বিলাসীপাৰা আৰু পৰ্বতঝোৰাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ নলবাৰী বিধানসভা সমষ্টিত মিত্ৰদলৰ প্ৰাৰ্থী অশোক শৰ্মাৰ হৈ ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে সমাগত বিধানসভা নিৰ্বাচনত কংগ্ৰেছ-মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক ভোট দিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়।

প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক মেঘনাথ চেত্ৰীয়ে ন-দুৱাৰ, বিশ্বনাথ, কলিয়াবৰ আৰু ঢকুৱাখনাত প্ৰচাৰ চলায়।

নিখিল ভাৰত মহিলা কংগ্ৰেছ কমিটীৰ সভানেত্ৰী অলকা লাম্বাই শিলচৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থী অভিজিৎ পাল আৰু বৰখলা বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ডাঃ অমিত কালোৱাৰৰ সমৰ্থনত আজি শিলচৰৰ অম্বিকাপুৰ, সুভাষ নগৰ আৰু বৰখলাত নিৰ্বাচনী প্ৰচাৰ চলায়। ওদালগুৰি জিলাৰ ডিমাকুছিত আজি এন ডি এ

মিত্ৰজোটৰ প্ৰাৰ্থী মহেশ্বৰ বড়োৰ সমৰ্থনত প্ৰচাৰ চলায়। বজালীত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী দিলীপ বৰুৱাই আজি ব্যাপক প্ৰচাৰ চলায়।

০০০০

আসন্ন নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি অব্যাহত ৰাখিছে। কাৰ্বি আংলং জিলাৰ ডিফুত আজি নিৰ্বাচনৰ বিশেষ পৰ্যবেক্ষক মনজিৎ সিং আৰু ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে জিলাখনৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যালোচনা কৰে। পৰ্যালোচনা বৈঠকত ভোটগ্ৰহণত নিয়োজিত কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ, পৰিবহন ব্যৱস্থা, আইন শৃংখলা, আহাৰ ব্যৱস্থাপনা আৰু অন্যান্য দিশসমূহৰ বুজ লোৱা হয়।

যোৰহাট জিলাত আজি আয়ুক্ত জয় শিৱানীয়ে স্থানীয় কাছাৰীমৈদাম পৰিদৰ্শন কৰি নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। তেওঁ নিৰ্বাচনৰ কাম-কাজৰ ক্ষেত্ৰত যান-বাহনৰ সু-ব্যৱস্থাৰ বাবে পৰিবহন কোষৰ কাম-কাজ পৰ্যালোচনা কৰে। তেওঁ ৰিটাৰ্ণিং বিষয়া, চক্ৰ বিষয়া আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মত বিনিময় কৰে।

০০০০

বৰাক উপত্যকাৰ শিলচৰত আচাম ৰাইফলছে চলোৱা অভিযানত  আজি বৃহৎ পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰা হয়। বাহিনীটোৱে মেহেৰপুৰ অঞ্চলত চলোৱা অভিযানত ৩০ টা চাবোনৰ বাকচত লুকুৱাই অনা ৩৪৯ গ্ৰাম হেৰোইন জব্দ কৰে। জব্দ কৰা হেৰোইনৰ মূল্য ২ কোটি ১০ লাখ টকা হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০

ৰাজ্যৰ ঠায়ে ঠায়ে মাছৰ বংশবৃদ্ধি আৰু উৎপাদন সুনিশ্চিত কৰাৰ উদ্দেশ্যে মাছ ধৰাৰ ক্ষেত্ৰত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ঢকুৱাখনাত থলুৱা প্ৰজাতিৰ মাছ-কাছ আদি ধৰাত নিষেধাজ্ঞা ঘোষণা কৰা হৈছে। ঢকুৱাখনা সমজিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ প্ৰভাত পেগুৱে জাৰি কৰা নিৰ্দেশনা অনুসৰি ১ এপ্ৰিলৰ পৰা ১৪ জুলাইলৈ সমজিলাখনত ঢকুৱাখনা আৰু শোৱনশিৰি ৰাজহ চক্ৰৰ অন্তৰ্গত সকলো নৈ, জলাশয়, বিল, পুখুৰী আদিত বৰজাল, ফাচিজাল, মহাজাল ব্যৱহাৰ কৰি থলুৱা মাছ চিকাৰ নিষিদ্ধ কৰা হৈছে।

একেদৰে নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত মাছৰ উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে পহিলা এপ্ৰিলৰ পৰা ৩১ জুলাইলৈ ঘোষিত মৎস্যক্ষেত্ৰসমূহত ৰৌ, ভকুৱা, মিৰিকা, মালি, চিতল, খৰিয়া, কুঢ়ি আদি প্ৰজাতিৰ মাছ ধৰা নিষিদ্ধ কৰা হৈছে। ইয়াৰ উপৰি ১ চেণ্টিমিটাৰতকৈ কম ব্যাসৰ ফুটা থকা জাল ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে।

বজালীতো জিলা দণ্ডাধীশ পাৰ্থপ্ৰতীম মজুমদাৰে মাছৰ উৎপাদন বৃদ্ধি আৰু খাল-বিলত মাছৰ প্ৰজনন সুৰক্ষিত কৰাৰ উদ্দেশ্যে নিষেধাজ্ঞা জাৰি কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰা অনুসৰি জাৰি কৰা এই নিষেধাজ্ঞা পহিলা এপ্ৰিলৰ পৰা প্ৰযোজ্য হৈছে আৰু ১৫ জুলাই পৰ্যন্ত বাহাল থাকিব।

০০০০

ঃঃ সমাপ্ত ঃঃ